# শিশু-সাহিত্য

ফৰাচী লেখক মেটাৰলিংকে শিশু-সাহিত্য ৰচনাৰ বিষয়ে এটি বৰ যুক্তিপূৰ্ণ উপমা দিছে যে শিশু-সাহিত্য ৰচনা কৰা আৰু অলিম্পাছ পৰ্বত দাঙি ধৰাটো একে কথা। ইয়াৰ সহজ অৰ্থ—শিশুৰ উপযোগীকৈ কিতাপ লেখাটো বৰ কষ্টসাধ্য আৰু জটিল কাম। ইয়াৰ প্ৰধান কাৰণ হৈছে শিশু মনোবিজ্ঞানৰ মেৰপাক আৰু অনভিজ্ঞ কুমলীয়া শিশুমনৰ চিন্তাধাৰা, যি চিন্তাত যুক্তি আৰু বিচাৰ-বিশ্লেষণৰ ঠাই নাই, লৌকিকতা-অলৌকিকতাৰ প্ৰশ্ন নাই। কল্পনাই তেওঁলোকৰ বাস্তৱ আৰু ধেমালি-আনন্দই হৈছে সত্য। বিস্ময়-কৌতূহলেই চিৰদিন শিশুক আপ্লুত কৰি আহিছে। সেয়েহে মানৱ সভ্যতা আদিম যুগৰপৰা সময়ৰ লগে লগে আগবাঢ়ি আহিলেও আদিম যুগৰ শিশু আৰু আজিৰ যুগৰ শিশুৰ মাজত কোনো পাৰ্থক্য নাই। ৰবীন্দ্ৰনাথৰ ভাষাত 'শিশুৰ মন শত-সহস্ৰ বছৰ পূৰ্বে যেনেদৰে আছিল, আজিও তেনেদৰেই অপৰিৱৰ্তিত হৈ আছে। শিশু হৈছে সৰ্বদেশৰ, সৰ্বজাতিৰ আৰু সৰ্বকালৰ।' সেইদৰে প্ৰকৃত শিশু-সাহিত্যও হৈছে সৰ্বদেশৰ, সৰ্বজাতিৰ আৰু সৰ্বকালৰ। এই প্ৰসংগত 'পঞ্চতন্ত্ৰ', 'হিতোপদেশ', 'ঈছপৰ সাধু', 'ৰবিঞ্চন ক্ৰুছো', 'গালিভাৰ ভ্ৰমণ', 'অজান দেশত এলিচ' আদি বিশ্ববিখ্যাত শিশু-গ্ৰন্থৰ কথা উল্লেখ কৰিব পাৰি। অৱশ্যে বৰ্তমান যুগত শিশু-মনোবিজ্ঞানৰ চৰ্চা আৰু উৎকৰ্ষ সাধন হোৱাৰ লগতে শিশু-সাহিত্যৰো প্ৰসাৰ অভাৱনীয়ৰূপে বাঢ়ি গৈছে।

অসমীয়া সাহিত্যৰ আদি, মধ্য আৰু আধুনিক এই তিনিওটা যুগতেই কম-বেছি পৰিমাণে সাহিত্য ৰচিত হৈছে। আদি যুগত ৰচিত শিশু-সাহিত্যৰ ৰূপ ধাইনাম বা নিচুকনি-গীত আৰু সাধুকথাবোৰত প্ৰকাশ পাইছে। শিশুৱে সহজে দেখা বা শুনা প্ৰাকৃতিক বস্তু বা জীৱ-জন্তুক কেন্দ্ৰ কৰি ভালেমান নিচুকনি-গীত ৰচিত হৈছে। এনেবোৰ গীতত বাস্তৱ-অবাস্তৱৰ প্ৰশ্ন নুঠে। যেনে, 'জোনবাই এ বেজি এটি দিয়া', 'ৰ'দালি এ ৰ'দ দে', 'শিয়াল এ নাহিবি ৰাতি, তোৰে কাণ কাটি লগামে বাতি', 'হালধীয়া চৰায়ে বাও ধান খায়', 'আগুৰ গুৰ মাগুৰ জালি, ঘোঁৰাৰ আগত দিলো পানী' ইত্যাদি। সেইদৰে সাধুকথাবোৰতো বাস্তৱতাৰ লগতে অলৌকিকতা বিৰাজমান। বহু সাধুত বীৰত্বব্যঞ্জক কাহিনীৰ লগত নীতি-উপদেশো থাকে। মানুহৰ উপৰি দেও-ভূত, পশু-পক্ষী আদিৰ চৰিত্ৰ লৈও বহু সাধু ৰচিত হৈছে। বান্দৰে মেকুৰীৰ মাজত পিঠা ভগোৱা, শিয়ালে বান্দৰক কল বুলি বাকলি খাবলৈ দিয়া, ঘঁৰিয়ালৰ পিঠিত উঠি বান্দৰ মিতিৰৰ ঘৰলৈ যোৱা, মাহীমাকে মাৰি পেলোৱাত তেজীমলাই আকৌ ফুল হৈ জন্ম লোৱা আদি ঘটনাই অবাস্তৱ হলেও শিশুৰ মন সদায় মোহিত আৰু পুলকিত কৰি আহিছে। লিখিত ৰূপ নাই যদিও সাধুকথা শিশু-সাহিত্যৰ এক অপৰিহাৰ্য অংগ।

অসমীয়া সাহিত্যৰ মধ্যযুগতো শিশু সাহিত্যই বিকাশ লাভ কৰা নাই যদিও শিশু কৃষ্ণৰ চৰিত্ৰক লৈ বৈষ্ণৱ কবি শংকৰদেৱৰ 'শিশুলীলা', মাধৱদেৱে ৰচা কেইবাটিও বৰগীত, 'চোৰধৰা', 'পিম্পৰা গুচোৱা' আদি নাট আৰু শ্ৰীধৰ কন্দলীৰ 'কাণখোৱা' কাব্য ৰচিত হৈছে। এনেবোৰ ৰচনাত শিশুৰ চোৰ-চাতুৰী, খং-অভিমান, খেল-ধেমালি, কাৰুণ্য আদি সুন্দৰকৈ দেখুওৱা হৈছে যদিও বৰ্ণনাৰ মাজে মাজে দিয়া তত্ত্বমূলক উক্তিয়ে প্ৰকৃত শিশু-সাহিত্যৰ বাটত মাজে মাজে ভেটাৰ সৃষ্টি কৰিছে। এনে বিষয়ক এখনি উৎকৃষ্ট গ্ৰন্থ হ'ল শিশু ভীমৰ চৰিত লৈ ৰাম সৰস্বতীয়ে ৰচনা কৰা কাব্য 'ভীম্য-চৰিত'। ইয়াত শিশু ভীমৰ বল-বিক্ৰম, টেঙৰালি আদিৰ মাজেদিয়ে বিমল হাস্যৰস সৃষ্টি কৰিছে।

আধুনিক যুগত 'অৰুণোদয়'ৰ (১৮৪৬) সময়ৰপৰাই অসমীয়া শিশু-সাহিত্যই বিভিন্ন দিশত বিকশিত হ'বলৈ আৰম্ভ কৰে। 'অৰুণোদই'ত ব্ৰাউন, ব্ৰনছন, কট্টৰ আদি খ্ৰীষ্টান মিছনেৰীসকলে শিশুৰ উপযোগীকৈ বাইবেলৰ বিভিন্ন গল্পৰ উপৰি দেশ-বিদেশৰ নীতিমূলক সাধুকথা প্ৰকাশ কৰিছিল। তেনে প্ৰকাশিত ৰচনাৰ ভিতৰত 'শুৱনী সাজ', 'বাইবেলৰ সাধু', 'ৰেবীৰ কাহিনী', 'ঈগল বাহ', 'আফ্ৰিকাৰ কোঁৱৰ' আদি প্ৰধান। ইয়াৰ উপৰি মিছনেৰীসকলে পঢ়াশালিৰ উপযোগী কৰি শিশু-পাঠো ৰচনা কৰিছিল। এই প্ৰসংগত আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ'ৰ নাম উল্লেখযোগ্য।

জোনাকী যুগৰপৰা অসমীয়া লেখকসকলে শিশু-সাহিত্যৰ প্ৰয়োজনীয়তাৰ কথা বিশেষভাৱে উপলব্ধি কৰি নিষ্ঠাৰে ৰচনা কৰিবলৈ মন মেলে। এই যুগৰ লেখকসকলৰ ভিতৰত প্ৰথমে লক্ষ্মীনাথ বেজবৰুৱাৰ নাম ল'ব লাগিব। তেওঁ মানুহৰ মুখে মুখে চলি অহা বহুতো সাধুকথা ৰসাল ভাষাত লিখি 'বুঢ়ী আইৰ সাধু' (১৯১১) আৰু 'ককাদেউতা আৰু নাতি ল'ৰা' (১৯১২) নাম দি প্ৰকাশ কৰে। তেওঁৰ আন এখন শিশু-পুথি 'জুনুকা' (১৯১৩)। পদ্মনাথ গোহাঁঞি বৰুৱাই শিশুৰ উপযোগী কেইবাখনো পাঠ্যপুথি লিখিছিল। এওঁলোকৰ সমসাময়িক শিশুৰ পাঠ্য আৰু শিশুৰ উপযোগী ৰচনা লিখোঁতাসকলৰ ভিতৰত লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত, প়ানীন্দ্ৰ গগৈ, বেণুধৰ ৰাজখোৱা আদি প্ৰধান। নিমজ ভাষাত শিশুৰ উপযোগী কবিতা লিখি খ্যাতি লাভ কৰা লেখকসকলৰ ভিতৰত বলদেৱ মহন্ত, আনন্দচন্দ্ৰ আগৰৱালা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, ৰঘুনাথ চৌধাৰী, মহম্মদ চোলেমান খাঁ, বিষয়চন্দ্ৰ বিশ্বাসী, ধৰ্মাই বৰা আদি প্ৰধান।

অমসীয়া জনসাধাৰণৰ মাজত প্ৰচলিত সাধুৰ উপৰি দেশ-বিদেশৰ নানা আকৰ্ষণীয় সাধু, কিংবদন্তি, ঐতিহাসিক কাহিনী, আখ্যান আদিক ভেটি কৰি বা কল্পনাক আশ্ৰয় কৰি লিখা নীতিমূলক বা আকৰ্ষণীয় শিশু-উপযোগী সাধুও অসমীয়া ভাষাত ৰচিত হৈছে। ভালেমান সাধুকথা বা শিশু-উপযোগী গ্ৰন্থ ইংৰাজী বা অইন ভাষাৰপৰা

অনুবাদো কৰা হৈছে। সাধুকথাৰ পুথিৰ ভিতৰত গুণাভিৰাম বৰুৱাৰ পত্নী বিষ্ণুপ্ৰিয়া দেৱীৰ 'সাধুকথা', শৰৎচন্দ্ৰ গোস্বামীৰ 'অমসীয়া সাধুকথা', জ্ঞানানন্দ জগতীৰ 'সাধুকথাৰ জোলোঙা', কুমুদেশ্বৰ বৰঠাকুৰৰ 'সাধুৰ ভঁৰাল', ত্ৰৈলোক্যশ্বৰী দেৱী বৰুৱানীৰ 'সন্ধিয়াৰ সাধু', হৰিপ্ৰসাদ বৰুৱাৰ 'মইনা' আৰু 'বিৰচতীয়াৰ দেশ', বেণুধৰ শৰ্মা 'ৰাংপতা', বাণীকান্ত কাকতিৰ 'পখিলা', শ্ৰীৰামচন্দ্ৰ দাসৰ 'মোৰ দেশৰ সাধু', 'গোপাল ভোগ' (১৯৭১), অৰ্জুনচন্দ্ৰ দাসৰ 'অসমীয়া সাধু' (১৯৪১) প্ৰসন্নকুমাৰ ডেকাৰ 'সাধুকথাৰ পুথি' (১৯৪৯), অতুলচন্দ্ৰ বৰুৱাৰ 'সন্ধিয়াৰ সাধু' (১৯৬৩), অতুলচন্দ্ৰ হাজৰিকাৰ 'আইতাৰ সাধু' (১৯৭৮), ডম্বৰুধৰ গোস্বামীৰ 'সাধুকথাৰ কৰণি' (১৯৮১), ৰমেশ. কলিতাৰ 'বুৰঞ্জীৰ বিচিত্ৰ কাহিনী' (১৯৭৩), সমীন কলিতাৰ 'ভাগ্যচক্ৰ' (১৯৭১), 'প্ৰকৃত বন্ধু' (১৯৭৭), 'সাউদৰ পুতেকৰ সাধু' (১৯৭৮), 'কমলা কুঁৱৰীৰ সাধু' (১৯৮৩), 'পৰিণাম' (১৯৭৩) আৰু 'অসমীয়া সাধু' (১৯৯০) নন্দ তালুকদাৰৰ 'তাহানিৰ সাধু' (১৯৭৭), ভৃগুমোহন গোস্বামীৰ 'সপ্তমণি' (১৯৮২), ৰামচন্দ্ৰ চুতীয়াৰ 'ডাৱৰৰ দেশৰ ৰূপকথা' (১৯৮৭), ঘনকান্ত তালুকদাৰৰ 'সোণমণি' আৰু 'ফুলমণি' আদি উল্লেখযোগ্য।

প্ৰাচীন ভাৰতীয় সাহিত্য তথা ৰামায়ণ, মহাভাৰত, বিভিন্ন পুৰাণ, জাতক, পঞ্চতন্ত্ৰ, হিতোপদেশ, বেতাল পঞ্চবিংশতি আদিৰ কথা, নীতি, উপদেশমূলক, আখ্যানমূলক শিশুৰ উপযোগীকৈ মনোৰম ভাষাত কেইবাজনো লেখকে লিখি প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত অতুলচন্দ্ৰ হাজৰিকাৰ দানেই সৰহ হ'ব। তেওঁৰ শিশু-পুথিৰ সংখ্যা ডেৰকুৰিখনৰো অধিক। প্ৰাচীন ভাৰতীয় কাহিনীক ভেটি কৰি লিখা তেওঁৰ পুথিৰ ভিতৰত 'কথা-কীৰ্তন' (১৯৪৫), 'কথা-দশম' (১৯৪৬-৫১), 'অংকীয়া নাটৰ সাধু' (১৯৫০), 'কাব্য-কাহিনী' (১৯৫৩), 'ৰামায়ণৰ ৰহঘৰা' (১৯৫৬), 'ভাৰত জেউতি' (১৯৪৭), 'ল'ৰাৰ জাতক' (১৯৫০) আদি প্ৰধান। হাজৰিকাৰ উপৰি বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'জাতকমালা', মহেশচন্দ্ৰ কটকীৰ 'বেতাল পঞ্চবিংশতি' আৰু 'গজমুকুতা', মিত্ৰদেৱ মহন্তৰ 'মৌ মহাভাৰত', তাৰানাথ বৰপূজাৰীৰ 'মহাভাৰতৰ ৰহঘৰা', 'মহাভাৰতৰ মৌবিচনী', ...যেশ্বৰ শৰ্মাৰ 'কথা-মহাভাৰত', ভাৰতচন্দ্ৰ পাঠকৰ 'ৰামায়ণৰ মৌকোঁহ' (১৯৫১), মহাভাৰতৰ মৌকোঁহ' (১৯৬১) আৰু 'পঞ্চসতী' (১৯৫৭), হৰিনাৰায়ণ দত্তবৰুৱাৰ 'শিশু-মহাভাৰত', শাসন বংশ ভিক্ষুৰ 'বুদ্ধজাতকৰ সাধু' (১৯৭৭), উৎসৱানন্দ গোস্বামীৰ 'বত্ৰিশ সিংহাসন', ইন্দ্ৰধৰ ৰাজখোৱাৰ 'হিতোপদেশ', দণ্ডীৰাম দত্তৰ 'বত্ৰিশ ...লা', মহাদেৱ শৰ্মাৰ 'উপনিষদৰ কাহিনী', অণু বৰুৱাৰ 'প্ৰাচীন ভাৰতীয় সাধু', ...নপ্ৰভা বৰদলৈৰ 'কথা সৰিৎ সাগৰ' (১৯৭৫), ৰত্ন ওজাৰ 'মিত্ৰভেদ', বিশ্বনাৰায়ণ ...ৰ 'চণ্ডীৰ সাধু', দণ্ডি কলিতাৰ 'সংস্কৃত নাটকৰ সাধু', হৰিনাথ শৰ্মা দলৈৰ 'অকণলৈ

দেৱী মহিমা' (১৯৭২), বিৰিঞ্চিকুমাৰ মেধিৰ 'অতীজৰ সাধু' (১৯৮১), ৰীণা দত্তবৰুৱাৰ 'বিক্ৰমাদিত্য আৰু বেতাল', কৃপানাথ বৈশ্যৰ 'হিতোপদেশৰ সাধু' (১৯৮৮), সাৱিত্ৰীবালা চৌধুৰীৰ 'অমৰ সাধু' (১৯৮৯) আদি পুথিয়ে ভাৰতীয় ঐতিহ্যপূৰ্ণ কাহিনীবোৰৰ লগত শিশুসকলৰ পৰিচয় কৰি দিয়াত সহায় কৰিছে। ইয়াৰ উপৰি পৌৰাণিক কাহিনীৰ বিখ্যাত চৰিত্ৰ কিছুমানক লৈও কেইবাখনি শিশু-পুথি ৰচিত হৈছে। হৰেন্দ্ৰনাথ শৰ্মাৰ 'সাবিত্ৰী', 'নল দয়মন্তী', ধৰ্মেশ্বৰ কটকীৰ 'অকণিৰ প্ৰহ্লাদ' (১৯৬০), 'অকণিৰ ধ্ৰুৱ', 'অকণিৰ ৰত্নাকৰ' (১৯৬৭), 'হৰিশ্চন্দ্ৰ উপাখ্যান' (১৯৬০), মোহনচন্দ্ৰ চৌধুৰীৰ 'লক্ষ্মণৰ ভ্ৰাতৃভক্তি', 'সীতাৰ পতিভক্তি, (১৯৭০), সুৰেন্দ্ৰকুমাৰ দাসৰ 'কৰ্ণৰ সাধু', 'একলব্যৰ গুৰুদক্ষিণা' (১৯৬৮), 'ভীমৰ সাধু' (১৯৬৮), বিষ্ণুপ্ৰিয়া দত্তবৰুৱাৰ 'শিশুকৃষ্ণ', 'সচিত্ৰ সতী-কাহিনী', মোঃ চাদেৰ আলীৰ 'শিশু-পাৰিজাত' (১৯৮৬), খৰ্গধৰ শৰ্মাৰ 'চণ্ডীৰ সাধু' আৰু 'বামন অৱতাৰ' (১৯৮৮), ডিম্বেশ্বৰ বৰাৰ 'পিতামহ ভীষ্ম' আদিৰ যোগেদি শিশুৰ মনত একোটি মহৎ আদৰ্শ দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

প্ৰাচীন ভাৰতীয় কাহিনীৰ উপৰি ইংৰাজী বা আন বিদেশী ভাষাত থকা ভালেমান শিশু-উপযোগী কাহিনী অসমীয়া ভাষালৈ অনুবাদ কৰা হৈছে আৰু কিছুমান কাহিনীৰ আলম লৈ শিশু-উপযোগীকৈ সহজ সৰল অসমীয়া ভাষাত ৰচনা কৰা হৈছে। জ্ঞানদাভিৰাম বৰুৱাৰ 'দদাইৰ পঁজা', 'ভেনিচৰ সাউদ' (১৯২৫), বসন্ত বৰুৱাৰ 'ৱেগনাৰৰ সাধু' (১৯১৯), বেণুধৰ শৰ্মাৰ 'ৰবিঞ্চন ক্ৰুচ', ৰোমেশ্বৰ শৰ্মাৰ 'ঈছপৰ উপকথা' (১৯২৪), হৰেন্দ্ৰনাথ শৰ্মাৰ 'ঈছপৰ সাধু', সুপ্ৰভা গোস্বামীৰ 'ডন কুইকচোট', হাৰুনাৰ ৰছিদৰ 'ৰত্নদ্বীপ', 'টমখুড়াৰ জুপুৰী', 'অলিভাৰ টুইষ্ট', 'থ্ৰী মাচ্‌কেটয়াৰ্ছ', 'হেনৰী ফোৰ্ড', 'বনবীৰ টাৰ্জান', ৰোহিণী বৰুৱাৰ 'পমিলীৰ পৰিয়াল', প্ৰফুল্ল দত্ত গোস্বামীৰ 'বিলাতী হোজা', মহেশ্বৰ নেওগৰ 'ডাৱৰৰ সিপাৰে ধুনীয়া দেশ', আজলীতৰা নেওগৰ 'আলাদ্দিন', 'আলিবাবা আৰু দুকুৰি ডকাইত', 'সিন্দবাদ', মহেন্দ্ৰ বৰাৰ 'গালিভাৰৰ ভ্ৰমণ', ডন কুইকচোট্', প্ৰমোদ কাকতিৰ 'জাপানী সাধু' (১৯৮৮), ৰায়হান শ্বাহৰ 'বটলৰ ভুত আৰু শব্দময় দ্বীপ' (১৯৮৮), স্বাধীনতা মহন্তৰ 'ৰ'দ জিলমিল' (১৯৮৯), নৱকুমাৰ বৰগোহাঞিৰ 'মণ্টু ঝণ্টু আৰু চাপৰিৰ ভুত' আদিকৈ ভালেমান বিদেশী গ্ৰন্থ বা কাহিনীৰ অসমীয়া ৰূপান্তৰ ওলাইছে। এই বিষয়ত হাৰুনাৰ ৰছিদৰ বৰঙণিয়েই সৰ্বাধিক হ'ব। অতুলচন্দ্ৰ হাজৰিকায়ো বিদেশী সাহিত্যৰ আলমত 'নীলাচৰাই' (১৯৪৮), 'গ্ৰিমৰ সাধু' (১৯৬০), 'এণ্ডাৰছনৰ সাধু' (১৯৬১), 'ঈছপৰ সাধু' (১৯৫১), 'ৰাণী হিমানী' (১৯৬২) প্ৰমুখ্যে কেইবাখনি শিশু-উপযোগী গ্ৰন্থ ৰচনা কৰিছে। চৈয়দা চাকিনা আশ্ৰফে হজৰত মোহম্মদৰ (দঃ) জীৱনত ঘটা কিছুমান ঘটনা

লৈ ৰচনা কৰিছে 'হাদিছৰ গল্প' (১৯৬৭), যতীন গোস্বামীৰ 'পিং পিং পৰুৱাৰ মটৰ গাড়ী', নন্দ শইকীয়াৰ 'দেশ-বিদেশৰ শিশু', আব্দুছ ছাত্তাৰৰ 'অকণি অকণি পোৱাল মণি', যোগেশ দাসৰ 'ৰবিন হুদ', নিশি বৰকটকীৰ 'শ্বিচকিন মই আৰু বহুতো' আদিৰ নামো এই প্ৰসংগত উল্লেখযোগ্য। কৃপানাথ বৈশ্যই সাৱলীল ভাষাত টলষ্টয়ৰ নটা সাধু অনুবাদ কৰি 'নৱৰত্ন' (১৯৮৮) নামেৰে প্ৰকাশ কৰিছে।

অসমীয়া ভাষাত শিশুৰ উপযোগী মৌলিক উপন্যাস আৰু কাহিনী বৰ বেছি ওলোৱা নাই। প্ৰকাশিত এনে গ্ৰন্থৰ ভিতৰত হৰগোবিন্দ শৰ্মাৰ 'পাতালপুৰী', নৰকান্ত বৰুৱাৰ 'শিয়ালী পালেগৈ ৰতনপুৰ', 'আখৰৰ জখলা', যোগেন শৰ্মাৰ 'সুৰুয উঠা দেশৰ পিনে', 'জলকুঁৱৰীৰ দেশত', শুচিব্ৰতা ৰায়চৌধুৰীৰ 'সুন্দৰ দেশ', প্ৰেমনাৰায়ণ দত্তৰ 'পোহৰৰ বাটত', ধৰ্মেশ্বৰ কটকীৰ 'সপোন কুঁৱৰী', লীলা গগৈৰ 'অনুপম কোঁৱৰৰ সাধু' (১৯৭৬) আদি প্ৰধান। অসমীয়া শিশু-সাহিত্যৰ অৱদানৰ ক্ষেত্ৰত 'শিয়ালৰ শিং'-অৰ লেখক প্ৰেমধৰ দত্ত আৰু 'লুচি পালন'ৰ লেখক অনন্ত দেৱশৰ্মাৰ নাম অবিস্মৰণীয় হৈ ৰ'ব।

অসমৰ বিভিন্ন জনজাতি, চাহ-মজদুৰ আৰু অসমৰ বাহিৰৰ কেইখনমান ৰাজ্যত আৰু বিভিন্ন ধৰ্মীয় লোকৰ মাজত বিশেষভাৱে প্ৰচলিত সাধু কিছুমানো ইতিমধ্যে অসমীয়া ভাষাত প্ৰকাশ পাইছে। তেনে সাধুকথাৰ পুথিৰ ভিতৰত অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'সেউজীপাতৰ মাজে মাজে' (১৯৬৬), 'নেপালী সাধু নৱমী' (১৯৭৭), ৰং বং তেৰাঙৰ 'কাৰবি সাধু' (১৯৭৬), য়েছে দৰজে ঠংচিৰ 'কামেং সীমান্তৰ সাধু' (১৯৬৪), ৰাজেন ৰাভাৰ 'ৰাভা সাধু' (১৯৭৭), বীৰেন্দ্ৰকুমাৰ দাসৰ 'বড়ো সাধু' (১৯৭৭), ডম্বৰুধৰ দেউৰীৰ 'দেউৰী-সান' (১৯৭৭), ইকবাল কৌৰৰ 'শিখ ধৰ্মীয় সাধু' আদি প্ৰধান। এই প্ৰসংগত যতীন্দ্ৰনাথ শৰ্মাৰ 'চাহ মজদুৰৰ মাজত সাধুকথা' (১৯৮২), সৰ্বেশ্বৰ বৰুৱাৰ 'চৰিতৰ সাধু' (১৯৭৫), সত্যেন্দ্ৰনাথ বৰকটকীৰ 'পৰ্বতীয়া সাধুকথা' (১৯৭৩), চাখিনা আহমেদৰ 'পঞ্জাবৰ সাধু' (১৯৭৭) আদিৰ নাম উল্লেখণীয়। ৰমেশচন্দ্ৰ কলিতাৰ 'মহাপুৰুষ শংকৰদেৱৰ মধুৰ গল্প' (১৯৮৬), অতুলচন্দ্ৰ বৰুৱাৰ 'ওলট পালট' (১৯৫৭), 'খেলিমেলি' (১৯৭৮), 'সানমহলি' (১৯৮৬) আদি সাধুকথাৰ লখীয়া শিশু-উপযোগী পুথি। হিৰণপ্ৰভা বৰুৱাই 'সপ্ত সতী'ত (১৯৮৫) সাতগৰাকী ভাৰতীয় সতী নাৰীৰ কাহিনী নিজৰ ভাষাত ৰচনা কৰিছে।

শিশুৰ উপযোগী বিজ্ঞান বিষয়ক কাহিনী, বৈজ্ঞানিক আৱিষ্কাৰ, জীৱ-জন্তুৰ কথা, দুঃসাহসিক অভিযানৰ কথা আদি বিষয়ক গ্ৰন্থ এতিয়াও অসমীয়া ভাষাত যথেষ্ট ওলোৱা নাই। বিজ্ঞান বিষয়ক কেইখনমান গ্ৰন্থৰ উল্লেখ আগতে (পৃঃ ৩১১) কৰা হৈছে। এইবোৰৰ উপৰি কালীনাথ শৰ্মাৰ 'প্ৰকৃতিৰ পুতলা খেলা', ৰঘুনাথ দেৱ চৌধুৰীৰ

'মানৱ সভ্যতা', বিনয় তামুলীৰ 'মহাকাশ অভিযান', প্ৰসন্ন গোস্বামীৰ 'ফুলৰ সা ফণীন্দ্ৰনাথ কলিতাৰ 'কয়লাৰ কাহিনী', নিৰ্মলেশ্বৰ শৰ্মাৰ 'আমাৰ এই পৃথিৱীখন', মহে বৰঠাকুৰৰ 'পনীয়া সোণৰ দেশ' (১৯৫৯), কল্যাণ তালুকদাৰৰ 'এভাৰেষ্ট বিজ (১৯৬৯), বিশ্বনাৰায়ণ শাস্ত্ৰীৰ 'নৈৰ সাধু', প্ৰীতিশ্ৰী বসু বৰকটকীৰ 'অকণিৰ চিৰিয়াখা (১৯৮১), আবুল লেইচৰ অনূদিত 'অৰণ্যৰ সাধু' (১৯৭৫), বিৰাজ চৌধুৰীৰ 'অৰণ্য মোহ' (১৯৭৫) আদিকৈ কেইবাখিনি উপাদেয় গ্ৰন্থ প্ৰকাশ পাইছে। প্ৰকৃতিৰ বিভি প্ৰাণীক কেন্দ্ৰ কৰি নিৰ্মলপ্ৰভা বৰদলৈয়ে সুৰলা ভাষাৰে ৰচনা কৰিছে 'মন উৰণীয়া (১৯৮১) সাধু-পুথি। মহেন্দ্ৰ বৰা, দীনেশ গোস্বামী, বিজয়কৃষ্ণ শৰ্মা, চন্দ্ৰ শৰ্মা, সোণেশ্বৰ শৰ্মা, মামণি গোস্বামী আদিয়েও শিশু-বিষয়ক বৈজ্ঞানিক গ্ৰন্থ বা আন ৰচনা লিখিছে। এনে গ্ৰন্থ বা ৰচনাৰ আৰু প্ৰয়োজন আছে।

শিশুৰ উপযোগী কবিতা ইতিমধ্যে আলোচনী, বাতৰি কাকতত ভালেমান ওলাইছে যদিও কবিতা-সংকলন বৰ বেছি ওলোৱা নাই। মিঠা মিঠা কবিতাৰ যোগেদি শিশু-সাহিত্যলৈ অৰিহণা যোগোৱা কবিসকলৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালা, অতুলচন্দ্ৰ হাজৰিকা ('ৰুণুক জুনুক' ১৯৫৩, 'মাণিকি মধুৰী' ১৯৪৯), এখুদ ককাইদেউ (নৱকান্ত বৰুৱা), নীলা বাইদেউ (নিৰ্মলপ্ৰভা বৰদলৈ), কীৰ্তিনাথ হাজৰিকা, জমিৰুদ্দিন আহমদ, অনন্তদেৱ শৰ্মা, গগন অধিকাৰী, 'টকাত একোটা হাতী' (১৯৮১), 'ৰদালি এ, ৰ'দ একন দে' (১৯৮৮), এলি আহমেদ, হিৰন্ময়ী দেৱী, ('অকণিৰ গীত'), মহেন্দ্ৰনাথ বুজৰবৰুৱা ('মইনাৰ কবিতা'), ৰুণুবাণী শৰ্মা ফুকনৰ 'চিনাকি সাঁথৰ' আদি প্ৰধান। নিৰ্মলপ্ৰভা বৰদলৈয়ে অতি আকৰ্ষণীয়কৈ গল্পৰ ছলেৰে দেশী-বিদেশী খেল-ধেমালিৰ কথা বৰ্ণনা কৰিছে 'চিল চিল চিলা বাগী চিল মিলা'ত।

ইতিমধ্যে কেইবাজনো নাট্যকাৰে মঞ্চত বা ৰেডিওত অভিনয় কৰিব পৰা শিশু-উপযোগী নাট লিখিছে। সেই নাট্যকাৰসকলৰ ভিতৰত কীৰ্তিনাথ শৰ্মা বৰদলৈ, মুক্তিনাথ বৰদলৈ, পদ্মধৰ চলিহা, কীৰ্তিনাথ হাজৰিকা (ফুটুকাৰ ফেন), প্ৰেমনাৰায়ণ দত্ত ('কণ্ঠৰোল'), ভগৱান দত্ত ('মইনাৰ ভাও'), নৱকান্ত বৰুৱা ('কেৰেলুৱা এণ্ড কোম্পানী'), নিৰ্মলপ্ৰভা বৰদলৈ ('ৰজা') আদি প্ৰধান।

অসমীয়া শিশু-সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত আলোচনী আৰু বাতৰি কাকতৰ ভূমিকাও উল্লেখযোগ্য। শিশু-আলোচনী 'ল'ৰাবন্ধু' (১৮৮৮), 'অকণ' (১৯১৬), 'মইনা' (১৯২৩), 'অৰুণ' (১৯২৬), 'পখিলা' (১৯৩৩), 'পাৰিজাত' (১৯৪০), 'ৰংঘৰ' (১৯৪৮), 'কাচিজোন', 'দীপক' (১৯৫৪), 'জোনবাই' (১৯৬১), 'বিজ্ঞান জেউতি', 'আকাশ', 'মনোৰঞ্জন', 'সঁফুৰা' আদিৰ উপৰি বাতৰি কাকতত প্ৰকাশিত শিশুৰ উপযোগী গল্প, কবিতা, বিজ্ঞান বিষয়ক আলোচনা আদিয়ে শিশুৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিত আৰু

জগতে শিশুৰ সাহিত্যিক মনটোক অনুপ্ৰেৰণা দিয়াতো যথেষ্ট সহায় কৰিছে। অসম সাহিত্য সভা আৰু অসম প্ৰকাশন পৰিষদে কেইবাখনি শিশু সাহিত্যৰ পুথি প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ এটি দিশলৈ বৰঙণি যোগাই আহিছে।

শিশুৰ মানসিক জগতখন আন লোকতকৈ সম্পূৰ্ণ বেলেগ। শিশুৰ মনত বাস্তৱ-অবাস্তৱ, সম্ভৱ-অসম্ভৱৰ স্থান নাই। গতিকে যিসকল লেখকে শিশুমনৰ লগত গভীৰভাৱে পৰিচয় হৈ শিশুৰ মানসিক জগতৰ লগত সংগতি ৰাখি শিশুৰ উপযোগী ভাষাত কাহিনী ৰচনা কৰিব পাৰে, তেওঁৰেই ৰচনা সাৰ্থক হয়। দ্বিতীয়তে, শিশুৰ মানসিকতাৰ একোটা স্তৰ আছে। চাৰি-পাঁচ বছৰ বয়সীয়া ল'ৰা এটাৰ কল্পনাৰ লগত ন-দহ বছৰীয়া বা পোন্ধৰ-যোল্ল বছৰ বয়সীয়া ল'ৰাৰ কল্পনা নিমিলে। গতিকে লেখকে এনেবোৰ স্তৰৰ কথা মনত ৰাখি শিশু-সাহিত্য ৰচনা কৰিব লাগে; কিন্তু অসমীয়া শিশু-সাহিত্য কোনটো স্তৰৰ শিশুৰ কাৰণে লেখা হৈছে তাৰ উল্লেখ প্ৰায়ে পোৱা নাযায়। সকলো শিশু-পুথিৰ ভাষাও সহজ-সৰল নহয়। ই যি নহওক, আজি কেইবছৰ মানৰপৰা শিশু-সাহিত্য ৰচনাত ভালেমান লেখকে মনোনিবেশ কৰিছে আৰু এয়া অসমীয়া শিশু-সাহিত্যৰ এক আশাপ্ৰদ ইংগিত।

---